# জগন্নাথ বৰুৱা মহাবিদ্যালয়(স্বতন্ত্ৰ)
# অসমীয়া বিভাগ

## স্নাতক প্ৰথম ষাণ্মাসিকত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষাৰ জাননী

ইয়াৰ দ্বাৰাই স্নাতক প্ৰথম ষাণ্মাসিকৰ অসমীয়া বিষয়ক সন্মান(Major) হিচাপে গ্ৰহণ কৰি নামভৰ্তি কৰিবলৈ আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলক জনোৱা হৈছে যে তেওঁলোকে নামভৰ্তি হ'বৰ এটা বাধ্যতামূলক প্ৰৱেশ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব। প্ৰৱেশ পৰীক্ষাৰ নিয়মাৱলী তলত দিয়া হ'ল—

১. মুঠ ৪০ নম্বৰৰ পৰীক্ষা অনলাইনযোগে অনুষ্ঠিত হ'ব।

২. পৰীক্ষাৰ তাৰিখ আৰু সময় পৰৱৰ্তী সময়ত মহাবিদ্যালয়ৰ ৱেবচাইট আৰু জৰুৰীকালীন ভাৱে গঠন কৰা হোৱাটচ এপ গ্ৰুপত জনোৱা হ'ব।

৩. প্ৰশ্নকাকতৰ আৰ্হি—

| | |
|---|---|
| ক) ১ মূল্যাংকৰ ২০ টা প্ৰশ্ন- | ২০ |
| খ) ৪মূল্যাংকৰ ৩ টা প্ৰশ্ন- | ১২ |
| গ) ৮মূল্যাংকৰ ১ টা ৰচনাধৰ্মী প্ৰশ্ন- | ০৮ |
| মুঠ | ৪০ |

৪. প্ৰৱেশ পৰীক্ষাত তলৰ বিষয়সমূহৰ জ্ঞান পৰীক্ষা কৰা হ'ব—

ক ) অসমীয়া ব্যাকৰণ আৰু আখৰ-জোঁটনিৰ জ্ঞান

খ) অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰাথমিক জ্ঞান

গ) অসমীয়া সাহিত্য আৰু সাহিত্যিক

ঘ) সাম্প্ৰতিক সময়ত অসমীয়া ভাষা আৰু সাহিত্যৰ স্থিতি

ঙ) অভিধানৰ জ্ঞান

৫. প্ৰৱেশ পৰীক্ষাত লাভ কৰা নম্বৰৰ লগত উচ্চতৰ মাধ্যমিকত লাভ কৰা নম্বৰ, অসমীয়া বিষয়ত লাভ কৰা নম্বৰ আৰু ঐচ্ছিক অসমীয়া বিষয়ত লাভ কৰা নম্বৰত ধাৰ্য কৰি নিৰিখ অনুসৰি বোনাচ নম্বৰ থাকিব। এই আটাইকেইটা যোগ কৰি যিটো মুঠ নম্বৰ হ'ব, সেই মুঠ নম্বৰৰ ভিত্তিতে পৰীক্ষাৰ্থীক নামভৰ্তিৰ কাৰণে নিৰ্বাচন কৰা হ'ব।

৬. মুঠ শতাংশত বোনাচ থাকিব ৫,- ঐচ্ছিক অসমীয়া বিষয়ত বোনাচ থাকিব ৫ আৰু অসমীয়া বিষয়ত বোনাচ থাকিব ১০।পৰীক্ষাৰ্থীয়ে তলত দিয়াৰ দৰে মুঠ ২০ নম্বৰ বোনাচ লাভ কৰিব—

| উচ্চতৰ মাধ্যমিকৰ মুঠ নম্বৰ | বোনাচ -৫ | উ. মা. ঐচ্ছিক অসমীয়াৰ নম্বৰ | বোনাচ -৫ | উ. মা. অসমীয়াৰ নম্বৰ | বোনাচ-১০ |
|---|---|---|---|---|---|
| 60 to 69% | 1 | 60 to 69% | 1 | 60 to 69% | 2 |
| 70 to 79% | 2 | 70 to 79% | 2 | 70 to 79% | 4 |
| 80 to 89% | 3 | 80 to 89% | 3 | 80 to 89% | 6 |
| 90 to 94% | 4 | 90 to 94% | 4 | 90 to 94% | 8 |
| 95 to 100% | 5 | 95 to 100% | 5 | 95 to 100% | 10 |

বিভাগীয় প্ৰধান

অসমীয়া বিভাগ

জগন্নাথ বৰুৱা মহাবিদ্যালয় (স্বতন্ত্ৰ), যোৰহাট।